অসম

কঠোৰ মুখ্যমন্ত্রী: গোলাঘাটৰ ডি.টি.অ. ৰাজীৱ পেগুক নিলম্বনৰ নির্দেশ

কর্তব্যত গাফিলতিৰ অভিযোগত গোলাঘাটৰ জিলা পৰিবহণ বিষয়া ৰাজীৱ পেগুক নিলম্বনৰ নির্দেশ দিছে মুখ্যমন্ত্রীয়ে। দুসপ্তাহৰ ভিতৰত তদন্তৰ প্রতিবেদন দাখিলৰো নির্দেশ দিয়া হৈছে।

প্রকাশ: ১৬ নৱেম্বৰ ২০২৬, নিশা ১০:৩০



গোলাঘাট জিলা পৰিবহণ বিষয়াৰ কার্যালয়ত প্রশাসনিক তদাৰকী আৰু আইন বলৱৎ কৰাৰ ক্ষেত্রত কার্যকৰী ব্যৱস্থাৰ অভাৱ পৰিলক্ষিত হোৱাত জিলা পৰিবহণ বিষয়া ৰাজীৱ পেগুক নিলম্বনৰ নির্দেশ দিছে মুখ্যমন্ত্রীয়ে।

কাজিৰঙাৰ দুর্ঘটনাৰ পাছত যান-বাহন চলাচলৰ নিয়ম বলৱৎ কৰাৰ ক্ষেত্রত চৰকাৰে অধিক কঠোৰ স্থিতি গ্রহণ কৰিছে।

এই বিষয়টোৰ লগত জড়িত কর্তব্যত অৱহেলা আৰু গাফিলতিৰ দায়বদ্ধতা নির্ধাৰণৰ বাবে এক তথ্য-অনুসন্ধানমূলক তদন্তৰ প্রস্তাৱতো মুখ্যমন্ত্রীয়ে অনুমোদন জনাইছে।

অতিৰিক্ত মুখ্য সচিব কে. চি. চামৰিয়াই তদন্তৰ দায়িত্ব পালন কৰিব। তেওঁ দুসপ্তাহৰ ভিতৰত তদন্তৰ প্রতিবেদন দাখিল কৰিব লাগিব।

লগতে, এই সন্দর্ভত গ্রহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে অৱগত কৰিবলৈও মুখ্যমন্ত্রীয়ে নির্দেশ দিছে।

© 2026 NewzNow

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/3715/golaghat-dto-suspension-kaziranga-accident